**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-01-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। সমগ্ৰ দেশতে আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়।

২। নতুন দিল্লীৰ কৰ্তব্যপথৰ কুচকাৱাজত অসমৰ ধুবুৰীৰ আশাৰিকান্দিৰ পোৰামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন কৰা হয়।

৩। দেশৰ বৰ্তমান প্ৰশাসন ব্যৱস্থাৰ কেন্দ্ৰত নাগৰিকসকল আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

৪। কৃষকসকলৰ যথোচিত লাভ সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে কেন্দ্ৰীয় চৰকাৰে মাহজাতীয় শস্য ন্যূনতম সমৰ্থন মূল্যত ১০০ শতাংশই ক্ৰয় কৰাৰ ক্ষেত্ৰত কাম কৰি আছে। ***আৰু***

৫। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু-মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সমগ্ৰ দেশতে আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথৰ পৰা গণৰাজ্য দিৱস উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিয়ে। গণৰাজ্য দিৱসৰ কুচকাৱাজত দেশৰ বৈচিত্ৰময় সংস্কৃতি আৰু সামৰিক শক্তিৰ অভিনৱ প্ৰদৰ্শন পৰিলক্ষিত হয়। এইবাৰৰ কুচকাৱাজত ব্ৰহ্মচ ছুপাৰ ছনিক ক্ষেপনাস্ত্ৰ প্ৰণালী, টি-নাইনটি ভীষ্ম টেংক, অৰ্জুন মূল যুদ্ধ টেংক, আপাচে ছিক্সটি এইট হেলিকপ্টাৰ প্ৰদৰ্শনৰ লগতে ৰব'টিক দ'গ, মানৱবিহীন সেনা বাহন-নিগ্ৰহ আদি ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ পৰাক্ৰম প্ৰদৰ্শন কৰা হয়। তদুপৰি অপাৰেচন সিন্দুৰত ব্যৱহৃত প্ৰতিৰক্ষা বাহিনীৰ তিনিওটা শাখাৰ সমৰাস্ত্ৰসমূহ প্ৰদৰ্শন কৰা হয়।

এই বছৰৰ গণৰাজ্য দিৱসৰ বিষয়বস্তু হৈছে- **স্বতন্ত্ৰতাৰ মন্ত্ৰ ঃ বন্দে মাতৰম আৰু সমৃদ্ধিৰ মন্ত্ৰ ঃ আত্মনিৰ্ভৰ ভাৰত**। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৰ্তব্যপথত ৰাষ্ট্ৰীয় পতাকা উৰুওৱাৰ পাছতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন আৰু ২১ জাই টোপধ্বনিৰে অভিবাদন জনোৱা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় বায়ুসেনা বাহিনীৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাক দেশৰ শান্তিপূৰ্ণ সময়ৰ সৰ্বোত্তম সাহসিকতাৰ পুৰস্কাৰ অশোক চক্ৰৰে সন্মানিত কৰে। ৰাষ্ট্ৰপতিয়ে সশস্ত্ৰ বাহিনী, অৰ্ধসামৰিক বাহিনী, আন বাহিনীসমূহ, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কেডেটসকলৰ কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। কুছকাৱাজ আৰম্ভ হোৱাৰ লগে লগে বায়ু সেনাৰ বিমানেৰে পুষ্প বৃষ্টি কৰা হয়।

এইবাৰৰ গণৰাজ্য দিৱসৰ কাৰ্য্যসূচীত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভনডেৰ লেয়েন আৰু ইউৰোপীয়ান কাউন্সিলৰ সভাপতি এণ্টনিঅ' লুই ছান্তোচ দ্যা কোস্তা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। কুচকাৱাজত বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, বিভিন্ন মন্ত্ৰালয় তথা বিভাগৰ ৩০ টা প্ৰতীকপট প্ৰদৰ্শন কৰা হয়। এইবাৰৰ কুচকাৱাজত বিহু নাচৰ তালে তালে অসমৰ ধুবুৰীৰ আশাৰিকান্দিৰ বিখ্যাত পোৰামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন কৰা হয়। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে তেওঁলোকৰ ভাৰত গাথা শ্ৰুতি, কৃতী, দৃষ্টি শীৰ্ষক প্ৰতীকপটৰ জৰিয়তে দেশৰ গল্পকথনৰ ঐতিহ্যৰ ওপৰত আলোকপাত কৰে। ইয়াৰ লগতে মন্ত্ৰালয়ৰ গুৰুত্বপূৰ্ণ পদক্ষেপ ৱেভজৰ বিষয়েও প্ৰতীকপটত প্ৰদৰ্শন কৰা হয়। আয়ুষ মন্ত্ৰালয়ে তেওঁলোকৰ প্ৰতীকপটৰ জৰিয়তে দেশৰ পৰম্পৰাগত ভেষজ ব্যৱস্থাসমূহৰ আধুনিক প্ৰযুক্তিৰ সৈতে সংযোগকৰণৰ বিষয়ে এটা সামগ্ৰিক ধাৰণা প্ৰদৰ্শন কৰে। আয়ুষৰ প্ৰতীকপটত আয়ুৰ্বেদ, যোগ, প্ৰাকৃতিক চিকিৎসা ব্যৱস্থা, য়ুনানি, সিদ্ধ, চৌৱা-ৰিগপা আৰু হোমিঅ'পেথিৰ ওপৰত আলোকপাত কৰা হয়।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ভাৰতক ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ শুভেচ্ছা জনোৱাৰ লগতে নতুন দিল্লী আৰু ৱাছিংটনক বিশ্বৰ সবাতোকৈ পুৰণি আৰু বৃহৎ গণতন্ত্ৰ বুলি উল্লেখ কৰে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে ভাৰতক ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ শুভক্ষণত শুভেচ্ছা জ্ঞাপন কৰে। ০০০০

০০০০

সমগ্ৰ দেশে অত্যন্ত উৎসাহ আৰু গৌৰৱেৰে গণৰাজ্য দিৱস উদযাপন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে কৰ্তব্য পথত প্ৰদৰ্শিত কুচকাৱাজত দেশৰ গণতন্ত্ৰৰ শক্তি আৰু চহকী ঐতিহ্যৰ লগতে দেশখনক একত্ৰিত কৰি ৰখা বান্ধোন প্ৰতিফলিত হৈছে। তেওঁ কয় যে এই কুচকাৱাজত দেশৰ শক্তিশালী নিৰাপত্তা ব্যৱস্থা প্ৰদৰ্শিত হৈছে, যি দেশৰ প্ৰস্তুতি, প্ৰযুক্তিগত সামৰ্থ্য আৰু নাগৰিকসকলক সুৰক্ষিত কৰি ৰখাৰ বাবে থকা অটল প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে।

গণৰাজ্য দিৱস উদযাপনৰ সময়ত ইউৰোপীয় পৰিষদৰ অধ্যক্ষ এন্টনিঅ' কষ্টা আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্চুলা ভন ডাৰ লিয়েনক আতিথ্য প্ৰদান কৰিবলৈ পাই দেশ গৌৰৱান্বিত বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। তেওঁলোকৰ উপস্থিতিয়ে ভাৰত-ইউৰোপীয় ইউনিয়নৰ অংশীদাৰিত্বৰ বৰ্ধিত শক্তি আৰু উমৈহতীয়া মূল্যবোধৰ প্ৰতি থকা দায়বদ্ধতাক সূচাইছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে লগতে কয় যে এই ভ্ৰমণে বিভিন্ন ক্ষেত্ৰত ভাৰত আৰু ইউৰোপৰ মাজত গভীৰ সম্পৰ্ক আৰু সহযোগিতাৰ ত্বৰান্বিত কৰিব।

০০০০

বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰত প্ৰবাসী ভাৰতীয়সকলে ৭৭ সংখ্যক গণৰাজ্য দিৱস ব্যাপক উৎসাহ উদ্দীপনাৰে উদযাপন কৰে। চীনৰ বাণিজ্যিক দূতাবাসৰ মুৰব্বী প্ৰতীক মাথুৰৰ নেতৃত্বত চাৰি শতাধিক প্ৰবাসী ভাৰতীয় দেশখনত ভাৰতৰ গণৰাজ্য দিৱস উদযাপন কৰে। এই অনুষ্ঠানত চীনৰ বহু নাগৰিক, কূটনীতিবিদ, দূতাবাসৰ সদস্য আৰু ইউৰোপীয় সংঘৰ বাণিজ্যিক দূতাবাসৰ কেইবাগৰাকীও সদস্যই অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উৰুওৱাৰ পাছতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ পাঠ কৰা হয়। কাৰ্যসূচীত ভাৰতৰ বাণিজ্যিক দূতাবাসৰ মুৰব্বীগৰাকীয়ে ২০২৫-২৬ বিত্তীয় বৰ্ষত চীনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁ লগতে যোৱা বছৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চীন ভ্ৰমণ আৰু ভাৰতে কৃত্ৰিম বুদ্ধিমত্তা তথা ব্ৰিকছ্ শীৰ্ষক সন্মিলনৰ আয়োজন কৰাৰ প্ৰসঙ্গ উল্লেখ কৰি আন্তঃৰাষ্ট্ৰীয় বৌদ্ধ সন্মিলনত বিভিন্ন দেশৰ সদস্যৰ অংশগ্ৰহণক লৈ সন্তুষ্টি ব্যক্ত কৰে। ছিংগাপুৰতো ভাৰতৰ উচ্চায়ুক্ত ড০ শিল্পক আম্বুলেৰ নেতৃত্বত প্ৰবাসী ভাৰতীয়সকলে গণৰাজ্য দিৱস উদযাপন কৰে। অনুষ্ঠানত ড০ আম্বুলে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ ভাষণ পাঠ কৰাৰ লগতে দেশখনত থকা এহেজাৰ দুশৰো অধিক প্ৰবাসী ভাৰতীয়ক অভিনন্দন জ্ঞাপন কৰে।

০০০০

আকাশবাণীৰ নতুন দিল্লীৰ মুখ্য কাৰ্যালয়ত আজি গণৰাজ্য দিৱস উদযাপন কৰা হয়। এই উপলক্ষে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কি বাত' অনুষ্ঠানটো দেশৰ প্ৰতিটো শ্ৰেণীৰ লোকৰ ইতিবাচক অৱদানক স্বীকৃতি দিয়া আৰু সেইবোৰ প্ৰচাৰ কৰাৰ মঞ্চ হিচাপে বিবেচিত হৈছে। তেওঁ কয় যে 'মন কি বাত' অনুষ্ঠানে জনসাধাৰণে কৰি থকা ইতিবাচক কামবোৰ পোহৰলৈ অনাৰ মাধ্যম হিচাপেও কাম কৰিছে।

এই অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগান, তথ্য আৰু সম্প্ৰচাৰ সচিব সঞ্জয় জাজু, প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীৰ লগতে বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

এই উপলক্ষে আকাশবাণীৰ চৌহদত আকাশবাণীৰ সঞ্চালক প্ৰধান ৰাজীৱ কুমাৰ জৈনে ৰাষ্ট্ৰীয় পতাকা উৰুৱায়। আকাশবাণীৰ সৈতে হোৱা কথাবতৰাত পদ্মশ্ৰী সন্মান প্ৰাপক জাভেদ আহমেদ টাকে কয় যে 'মন কি বাত' অনুষ্ঠানত তেওঁৰ কাহিনী প্ৰচাৰ কৰা হৈছিল, য'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক দিব্যাংগসকলৰ বাবে এজন আদৰ্শ ব্যক্তি হিচাপে অভিহিত কৰিছিল। ভাৰোত্তোলন অস্মিতা ধনেই কয় যে মন কি বাত' অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা বাৰ্তালাপ তেওঁক অনুপ্ৰেৰণা যোগাইছিল।

০০০০০

দেশৰ বৰ্তমানৰ শাসন ব্যৱস্থাৰ কেন্দ্ৰত নাগৰিকসকল আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ এটি প্ৰবন্ধ সামাজিক মাধ্যমত শ্বেয়াৰ কৰি শ্ৰী মোদীয়ে কয় যে গণৰাজ্যই সামাজিক ন্যায় আৰু অৰ্থনৈতিক অন্তৰ্ভুক্তিৰ দিশত অগ্ৰগতি লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে এই প্ৰচেষ্টাসমূহে এখন কল্যাণকামী গণতান্ত্ৰিক গণৰাজ্যৰ সাংবিধানিক ধাৰণাক সুদৃঢ় কৰিছে। শ্ৰী সিঙে তেওঁৰ প্ৰবন্ধটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ যাত্ৰাৰ বিষয়ে আলোকপাত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দেশৰ এই যাত্ৰাক 'জনসাধাৰণক প্ৰথম স্থান দিয়া গণৰাজ্য' হিচাপে অভিহিত কৰে, য'ত গণতন্ত্ৰৰ অৰ্থনৈতিক কেৱল 'জনসাধাৰণৰ' আৰু 'জনসাধাৰণৰ দ্বাৰা'ই নহয়, বৰঞ্চ ই 'জনসাধাৰণৰ বাবে' দৃঢ়তাৰে কাম কৰি আছে।

০০০০০

মাহজাতীয় শস্যৰ কৃষকসকলৰ যথোচিত লাভ সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ পৰা ৰহৰ, মচুৰ, মাটিমাহকে ধৰি বিভিন্ন ধৰণৰ মাহজাতীয় শস্য ন্যূনতম সমৰ্থন মূল্যত এশ শতাংশই ক্ৰয় কৰাৰ ক্ষেত্ৰত কাম কৰি আছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে চৰকাৰে বিশেষভাৱে নিমন্ত্ৰণ কৰা কৃষকসকলৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে এইকথা জানিবলৈ দিয়ে। কৃষি খণ্ডক ভাৰতীয় অৰ্থনীতিৰ মেৰুদণ্ড বুলি উল্লেখ কৰি শ্ৰীচৌহানে কয় যে দেশৰ প্ৰায় ৭০ শতাংশ জনসংখ্যা প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে কৃষি আৰু কৃষি খণ্ডৰ সৈতে জড়িত বিভিন্ন কামৰ সৈতে সংযুক্ত হৈ আছে। চীন দেশকো পিছ পেলাই ভাৰত বৰ্তমান বিশ্বৰ বৃহত্তম ধান উৎপাদকৰূপে পৰিগণিত হোৱা বুলিও শ্ৰীচৌহানে লগতে কয়। প্ৰধানমন্ত্ৰী ফছল বীমা যোজনা অধিক শক্তিশালী কৰি তুলিবলৈও বিভিন্ন প্ৰচেষ্টা হাতত লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। বন্য প্ৰাণীয়ে ক্ষতি কৰা আৰু পানীয়ে নষ্ট কৰা ফছলসমূহক বীমা আঁচনিৰ আওতালৈ অনাৰ ক্ষেত্ৰত চৰকাৰে চিন্তা চৰ্চা চলাই আছে বুলিও শ্ৰীচৌহানে প্ৰকাশ কৰে।

০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু-মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কোটাম্বিৰ বডোডৰা আন্তৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ইতিমধ্যে প্লে অৱ পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। প্লে অৱ পৰ্যায়ৰ আন দুটা স্থানৰ বাবে মুম্বাই ইণ্ডিয়ানছ, গুজৰাট জায়েণ্টছ, দেলহী কেপিটেলছ আৰু ইউ পি ৱাৰিয়ৰ্ছৰ মাজত তুমুল প্ৰতিদ্বন্দিতা অব্যাহত আছে। আজিৰ খেলখনত জয়লাভ কৰিবলৈ মুম্বাই ইণ্ডিয়ানছে যৎপৰোনাস্তি চেষ্টা চলাব বুলি দলটোৰ অনুৰাগীসকলে আশা প্ৰকাশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ